**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। সান্ধ্য আইনৰ কৱলত থকা মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি নিয়ন্ত্ৰণত আছে যদিও বৰ্তমানো উত্তেজনা অব্যাহত। এন বীৰেন সিঙৰ নেতৃত্বৰ চৰকাৰৰ প্ৰতি নেছনেল পিপলছ্ পাৰ্টিৰ সমৰ্থন প্ৰত্যাহাৰ।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত জ্যেষ্ঠ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠক।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ।

৪। অসমীয়া সাহিত্য আৰু সংস্কৃতি বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰিব লাগে বুলি অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাৰ মন্তব্য।

*আৰু*

৫। সিন্ধুৰা হাজৰিকা সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ডিমৰুগুৰি উদয়ন সংঘৰ ইলেভেন ব্ৰাদাৰ্ছ নগাঁৱৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত জয়লাভ।

০০০০০০০

সান্ধ্য আইনৰ কৱলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে যদিও ভিতৰি ভিতৰি উত্তেজনা অব্যাহত আছে। অৱশ্যে ৰাজ্য চৰকাৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ পাৰ্যমানে চেষ্টা অব্যাহত ৰাখিছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি ৰাজ্য চৰকাৰে ভালেমান স্পৰ্শকাতৰ অঞ্চলত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী নিয়োগ কৰিছে। আনহাতে অনিৰ্দিষ্ট কালৰ বাবে জাৰি কৰা কাৰ্ফিউ আজিও অব্যাহত আছে। ৰাজ্যখনৰ গৃহ বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে বিয়পি পৰা দেশ তথা সমাজ বিৰোধী বিভিন্ন উৰা-বাতৰি নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে পৰহি বিয়লি জিৰিবাম আৰু ফেৰজল জিলাত প্ৰথমতে দুদিনৰ বাবে ইণ্টাৰনেট সেৱা কৰ্তন কৰিছিল। তদুপৰি পৰহিৰ পৰা পাঁচখন উপত্যকা জিলাকে ধৰি ৭খন জিলাত ইণ্টাৰনেট সেৱা দুদিনৰ বাবে কৰ্তন কৰা হৈছে। অৱশ্যে আজি চৰকাৰী কাৰ্যালয়সমূহত ব্ৰডবেণ্ড আৰু ফাইবাৰ ইণ্টাৰনেট সেৱা আংশিকভাৱে প্ৰদান কৰা হৈছে।

ইতিমধ্যে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান অনিশ দয়াল সিঙে মণিপুৰত উপস্থিত হৈ কালি আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে ৰাজ্যখনৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ কৌশল সম্পৰ্কে আলোচনা কৰে।

ইপিনে, এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰৰ প্ৰতি নেছনেল পিপলছ্ পাৰ্টিয়ে সমৰ্থন প্ৰত্যাহাৰ কৰিছে। এন পি পিৰ ৰাষ্ট্ৰীয় সভাপতি কনৰাড কে চাংমাই বিজেপিৰ সভাপতি জে পি নাড্ডাক এন পি পিৰ এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। কনৰাড কে চাংমাই লিখা পত্ৰখনত মণিপুৰৰ সাম্প্ৰতিক আইন শৃংখলাৰ পৰিস্থিতিকলৈ এন পি পি উদ্বিগ্ন বুলি উল্লেখ কৰা হৈছে। ৰাজ্যখনলৈ স্বাভাৱিক পৰিস্থিতি ওভতাই অনাৰ লগতে সমস্যা সমাধানৰ ক্ষেত্ৰত এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰ সম্পূৰ্ণৰূপে বিফল হোৱা বুলি দলে অনুভৱ

কৰাৰ বিষয়ে উল্লেখ কৰি শীঘ্রে বলবৎ হোৱাকৈ ৰাজ্য চৰকাৰৰ প্রতি থকা সমর্থন এন পি পিয়ে প্রত্যাহ্বাৰ কৰে। একাদশ মণিপুৰ বিধানসভাত থকা ৭ গৰাকী এন পি পি বিধায়কে মণিপুৰৰ বিজেপিৰ নেতৃত্ব চৰকাৰক সমর্থন দিছিল। মণিপুৰ বিধানসভাত বিজেপিৰ ৩২ জন বিধায়ক আছে আৰু সদ্যহতে এন বীৰেন সিঙৰ চৰকাৰৰ প্রতি এন পি এফ, জে ডি ইউ আৰু কেইবাগৰাকীয়ো নির্দলীয় বিধায়কৰ সমর্থন আছে।

ইফালে, কাছাৰ জিলাৰ বৰাক নদীত কালি উদ্ধাৰ হোৱা মহিলাৰ মৃতদেহটো মণিপুৰত কুকি উগ্রপন্থীয়ে অপহৰণ কৰা ৬গৰাকী লোকৰ ভিতৰৰ এগৰাকীৰ বুলি সন্দেহ কৰা হৈছে। ইম্ফলৰ আৰক্ষী সূত্রই এই কথা প্রকাশ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে জিৰিবামৰ ব'ৰ'বেকৰা মহকুমাত শুকুৰবাৰে আন ৩গৰাকী লোকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত মণিপুৰৰ বিভিন্ন প্রান্তত ব্যাপক প্রতিবাদ অব্যাহত আছে। ৰাজ্যখনলৈ শান্তি, শৃংখলা, পৰিস্থিতি ঘূৰাই অনাৰ আহ্বান জনাই টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজয়ী ভাৰোত্তোলক মীৰা বাই চানুৱে এনেদৰে কয়—

*(বাইট)*

০০০০০

কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে কালি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মণিপুৰৰ সাম্প্রতিক পৰিস্থিতি পর্যালোচনা কৰে। মন্ত্রীগৰাকীয়ে একেটা বিষয় লৈ আজি আন এখন বিশেষ বৈঠকত অংশগ্রহণ কৰাৰ কথা। গৃহমন্ত্রীগৰাকীয়ে কালিৰ বৈঠকত কয় যে মণিপুৰলৈ শান্তি-শৃংখলা ওভতাই অনাৰ উদ্দেশ্যে নিৰাপত্তা বাহিনীসমূহক যাৱতীয় পদক্ষেপ গ্রহণ কৰিবলৈ নির্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি ৰাজ্যখনত শান্তি আৰু নিৰাপত্তা বিঘ্নিত হৈছে। গৃহ মন্ত্রালয়ে এটা বিবৃতিৰ জৰিয়তে প্রকাশ কৰিছে যে ৰাজ্যখনত সংঘর্ষৰ সৈতে জড়িত হৈ থকা দুয়োটা সম্প্রদায়ৰ সশস্ত্র দুর্বৃত্তই হিংসাত লিপ্ত হৈ ৰাজ্যখনৰ শান্তি-শৃংখলা ভংগ কৰাৰ লগতে বহু নিৰিহ লোকক হত্যা কৰিছে। হিংসাত্মক কার্যকলাপত জড়িত হৈ থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্রহণ কৰা হ'ব বুলি বিবৃতিটোত প্রকাশ কৰা হয়। গুৰুত্বপূর্ণ অভিযোগ সমূহ অনুসন্ধানৰ বাবে নিয়ালৈ হস্তান্তৰ কৰা হৈছে। তদুপৰি, ৰাজ্যখনৰ জনসাধাৰণলৈ শান্তি বর্তাই ৰখাৰ লগতে উৰা-বাতৰিক বিশ্বাস নকৰিবলৈ তথা শান্তি-শৃংখলা বজাই ৰখাত নিৰাপত্তা বাহিনীৰ প্রতি সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি ব্রাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত জি-২০ শীর্ষ সন্মিলনত ভাগ ল'ব। এই সন্মিলনৰ সুযোগতে প্রধানমন্ত্রীয়ে বিশ্বনেতাসকলৰ সৈতে পৃথক বৈঠকত ভাগ ল'ব। শ্রীমোদী, আমেৰিকাৰ ৰাষ্ট্রপতি জ' বাইডেন আৰু চীনৰ ৰাষ্ট্রপতি জি জিনপিং হৈছে জি-২০ সন্মিলনত আজি আৰু কাইলৈ অংশগ্রহণ কৰিবলগীয়া নেতাসকলৰ মাজৰ অন্যতম। প্রধানমন্ত্রী মোদী ত্রিদেশীয় ভ্রমণৰ দ্বিতীয় পর্যায়ত আজি পুৱা ব্রাজিলত উপস্থিত হৈছে।

ভাৰত, ব্রাজিল আৰু দক্ষিণ আফ্রিকা জি-২০ ট্রোইকাৰ অংশ আৰু দেশ তিনিখনে জি-২০ শীর্ষ সন্মিলনৰ আলোচনাত সক্রিয়ভাৱে অংশগ্রহণ কৰি আহিছে। সন্মিলনত প্রধানমন্ত্রী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-২০ নতুন দিল্লী ঘোষণাপত্র অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা **ভইচ অব দ্যা গ্লোবেল ছাউথ** সন্মিলনৰ লাভালাভ সম্পর্কে আলোচনা কৰিব। এই সন্মিলন অতি গুৰুত্বপূর্ণ কাৰণ ভাৰতে যোৱা বছৰ অগ্রাধিকাৰ দিয়া বিষয়সমূহ ইয়াত আগবঢ়াই লৈ যোৱা হ'ব। বিগত বর্ষৰ ছেপ্তেম্বৰত নতুন দিল্লীত ভাৰতে জি-২০ সন্মিলন সফলভাৱে আয়োজন কৰে।

ইয়াৰ পূৰ্বে কালি প্ৰধানমন্ত্ৰীয়ে আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ টিনুবুৰ সৈতে উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলোৱাৰ লগতে দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে।

*(বাইট)*

এই আলোচনাৰ অন্তত সাংস্কৃতিক বিনিময় কাৰ্যসূচী, শুল্ক সহযোগিতা আৰু জৰীপ সহযোগিতাৰ ক্ষেত্ৰত তিনিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৱেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

অসমীয়া সাহিত্য আৰু সংস্কৃতি বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰিব লাগে বুলি অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই মন্তব্য প্ৰকাশ কৰিছে। কালি দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ সামৰণি অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে ভাগ লৈ সভাপতিগৰাকীয়ে এইদৰে কয়। ড° হাজৰিকাই তেওঁৰ ভাষণত কৃষিমন্ত্ৰী অতুল বৰাক এখন কৃষি সম্বন্ধীয় বিশ্বকোষ প্ৰকাশ কৰাৰ বাবে অনুৰোধ জনায়। সভাত সাহিত্য একাডেমী বঁটাপ্ৰাপক জয়ন্তমাধৱ বৰা, কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাখনত ভাষাতত্ববিদ ড° নগেন ঠাকুৰক নীলমণি ফুকন বঁটা প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি ড° হাজৰিকা আৰু বিশিষ্ট ব্যক্তিসকলে কৃষি সম্বন্ধীয় এখন বিশ্বকোষ প্ৰকাশ কৰা বিষয়টো কৃষিমন্ত্ৰীগৰাকীয়ে গুৰুত্বসহকাৰে লয়।

ooooooo

গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত বনাঞ্চলৰ পৰা ওলাই অহা দুটা হাতীৰ জাকে উপদ্ৰৱ চলাই আতংকৰ সৃষ্টি কৰিছে। জিলাখনৰ পশ্চিম মাটিয়াৰ লগতে দুধনৈৰ চেঁচাপানী, মেজেংপাৰা, বগাডোবা, কুশধোৱা আদিকে ধৰি বৃহত্তৰ অঞ্চলটোত যোৱা কিছুদিন ধৰি হাতীৰ জাকটোৱে খেতি-পথাৰ, তামোল, ৰবৰৰ বাগান, চাহ খেতিৰ বিস্তৰ ক্ষতি কৰিছে। এই সন্দৰ্ভত আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইনে এইদৰে কয় –

(বাইট)

ooooooo

শিৱসাগৰ জিলাৰ দিচাংমুখৰ বলমা মিচিং গাঁৱত মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত পঃৰাগ উৎসৱ উৎসৱ উদযাপনৰ কালি লাইখুঁটা স্থাপন কৰা হয়। উৎসৱ উদযাপন সমিতিৰ সম্পাদক কাতিৰাম মিলিয়ে আঁত ধৰা অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি ৰামচন্দ্ৰ মিলিয়ে লাইখুঁটা স্থাপন কৰে। অনুষ্ঠানত অঞ্চলটোৰ সমূহ ৰাইজ উপস্থিত থাকে। অহা ১৭, ১৮ আৰু ১৯ জানুৱাৰীত পঃৰাগ উৎসৱ উদযাপনৰ তাৰিখ থিৰাং কৰা হৈছে।

০০০০০০০

তিনিচুকীয়া জিলাৰ দিনজানৰ ডিব্ৰু নৈত কালি নাও দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত মনোজ পাহাৰীয়া নামৰ এজন যাত্ৰী সন্ধানহীন হৈছে। জানিব পৰা মতে দিনজানৰ সাপ্তাহিক বজাৰত বজাৰ-সমাৰ সামৰি বিভিন্ন লোক ঘৰলৈ ওভোতাৰ সময়ত নাওখনে ডিব্ৰু নৈৰ মাজত থকা স্পাৰত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। নিৰুদিষ্ট যাত্ৰীজনক বিচাৰি এছ্ ডি আৰ এফে উদ্ধাৰ অভিযান আৰম্ভ কৰিছে।

০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহে ভিন ভিন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মণিপুৰৰ শেহতীয়া পৰিস্থিতিক কৈ কাকত সমূহে বাতৰিটো গুৰুত্বসহকাৰে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দৈনিক অসম কাকতে অশান্ত মণিপুৰত উত্তেজনা অব্যাহতি, দৈনিক জনমভূমি কাকতে হিংসাজৰ্জৰ মণিপুৰত চৰকাৰ ভংগৰ সম্ভাৱনা, The Assam Tribune কাকতে houses of 4 more MLAs set on fire in Manipur অসমীয়া প্ৰতিদিন কাকতে হিংসা – প্ৰতিহিংসাৰ জুইত জ্বলিছে মণিপুৰ,মুখ্যমন্ত্ৰীৰ গৃহত আক্ৰমণ, গীৰ্জাত জুই আমাৰ অসম কাকতে দাওদাওকৈ জ্বলিছে মুখ্যমন্ত্ৰী, বিধায়কৰ ঘৰ , অসমীয়া খবৰ কাকতে মণিপুৰত হিংসাৰ দাবানল নিয়মীয়া বাৰ্তা কাকতে অগ্নিগৰ্ভ মণিপুৰ অনিয়ন্ত্ৰিত, শীৰ্ষৰে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জিৰিবামত তিনিটা মৃতদেহ উদ্ধাৰ হোৱাৰ বাতৰিটো প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।ৰাজ্য চৰকাৰে সময়মতে পুঁজি মোকলাই নিদিয়াৰ ফলত অসম ৰাজ্যিক পৰিবহণ নিগমৰ ১৩ শতাধিক অৱসৰপ্ৰাপ্ত ভাট্টা লাভৰ পৰা বঞ্চিত হয় আছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিলম্বিত অচি ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে গোচৰ ৰুজু হোৱাৰ বাতৰিটো দৈনিক অসম, আমাৰ অসম, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধান মন্ত্ৰী মোদীয়ে নাইজেৰিয়াৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সন্মান লাভ কৰাৰ বাতৰিটো প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ সমাগত নিৰ্বাচনত নিৰ্বাচন সমিতিক চেৰাই প্ৰধান সম্পাদকে বেলত কাকত বিতৰণ কৰাক লৈ দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ছয়গাঁৱৰ গৰৈমাৰীত এজন লোকক আৰু নগাঁওত দুজন লোকক নৃশংস ভাৱে হত্যা কৰা হৈছে। এই বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতৰ জনসংখ্যাৰ ২৩.৭% লোক মধুমেহ ৰোগত আক্ৰান্ত হৈছে বুলি দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ঝাৰখণ্ডত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে প্ৰচাৰ চলোৱা সন্দৰ্ভত বাতৰিটো আমাৰ অসম কাকতে হিমন্ত, গৌৰবৰ যুঁজ ঝাৰখণ্ডতো, দৈনিক অসম কাকতে ঝাৰখণ্ডত অন্তিম পৰ্যায়ৰ প্ৰসাৰত নামিল গৌৰৱ গগৈ শীৰ্ষৰে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।ৰাজ্য চৰকাৰে নাগৰিকপঞ্জী পুনৰীক্ষণৰ আবেদন জনোৱা নাই বুলি NRC ৰ ৰ প্ৰাক্তন সমন্বয়ক হিতেশ দেৱশৰ্মাৰ উদ্ধৃতিৰে দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: চৰকাৰৰ ওপৰত আস্থা হেৰুৱালে ন্যায়ালয়লৈ যাব ২২০০ শিক্ষক, ডেনমাৰ্কৰ হিউমেন বাৰ্বী ভিক্টোৰিয়া কেয়েৰ খিলভিগৰ শিৰত মিছ ইউনিভাৰ্ছৰ মুকুট , ডিগবৈত গুলীত আহত ব্যবসায়ী, Climate change responsible for 19% rising dengue cases:Study , শ্ৰমিকক ৭০ কোটি দিবলৈ অসম চাহ নিগমক নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত এক চমু অৱলোকন।

০০০০০০০

সিন্ধুৰা হাজৰিকা সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত চূড়ান্ত খেলখনত **ডিমৰুগুৰি উদয়ন সংঘই ইলেভেন ব্ৰাদাৰ্ছ নগাঁৱ**ক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰে। প্ৰতিযোগিতাখনৰ অন্তত লক্ষ্য দাসে শ্ৰেষ্ঠ খেলুৱৈ আৰু বিদ্যুৎ বনিয়াই শ্ৰেষ্ঠ উদিয়মান খেলুৱৈৰ সন্মান লাভ কৰে। ইপিনে, চূড়ান্ত খেলখনত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে জিঝৰ টিৰাং, শ্ৰেষ্ঠ গ'লৰক্ষক হিচাপে ৰোহিত ৰায় আৰু সৰ্বাধিক গ'লদাতা হিচাপে জয়ৰাম তগ্‌বিয়ে পুৰস্কাৰ লাভ কৰে। নগাঁও জিলাৰ উৰিয়াগাঁও আঞ্চলিক উন্নয়ন সমিতিৰ ব্যৱস্থাপনাত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ কালি চূড়ান্ত খেলখনৰ পূৰ্বে এখন সভা অনুষ্ঠিত হয়। সভাখন উদ্বোধন কৰি স্থানীয় বিধায়ক ৰূপক শৰ্মাই উৰিয়াগাঁও খেলপথাৰখনত গেলাৰী নিৰ্মাণকে ধৰি আনুসংগিক কামসমূহ ৰূপায়ণ কৰি মিনি ষ্টেডিয়ামলৈ ৰূপান্তৰিত কৰা হ'ব বুলি উল্লেখ কৰে।

০০০০০০০

ভাৰতৰ টেষ্ট ক্ৰিকেটৰ অধিনায়ক ৰোহিত শৰ্মাই অহা ২২ নৱেম্বৰৰ পৰা অষ্ট্ৰেলিয়াৰ পাৰ্থত হ'বলগীয়া বোৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথমখন খেল খেলাৰ পৰা বিৰত থাকিব। তেওঁৰ অনুপস্থিতিত সহ-অধিনায়ক যশপ্ৰীত বুমৰাই দলটোৰ নেতৃত্ব দিব। ২০২১-২২ত ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত পঞ্চমখন টেষ্ট ক্ৰিকেটত ৰোহিত শৰ্মাই কোভিডত আক্ৰান্ত হৈ খেলৰ পৰা আঁতৰি থকাৰ সময়ত বুমৰাই অধিনায়ক হিচাপে নেতৃত্ব দিছিল। তদুপৰি অপেনাৰ সুভমন গীল আঙুলিৰ আঘাটৰ বাবে প্ৰথমখন টেষ্ট ক্ৰিকেটৰ পৰা বাহিৰত থাকিব। খেলখনত সুভমন গীল আৰু ৰোহিত শৰ্মাৰ পৰিৱৰ্তে কে এল ৰাহুল আৰু অভিমন্যু ঈশ্বৰনে খেলিব।

০০০০০০

ভাৰতীয় তথ্য সেৱাৰ শীৰ্ষ বিষয়া তথা প্ৰয়াত ৰাষ্ট্ৰপতি ড০ এ পি জে আব্দুল কালামৰ প্ৰাক্তন প্ৰেছ সচিব এছ এম খানৰ কালি নতুন দিল্লীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৭ বছৰ। তেওঁ দূৰদৰ্শনৰ বাতৰি বিভাগৰ সঞ্চালক প্ৰধান হিচাপেও কৰ্মৰত আছিল। প্ৰয়াত বিষয়াগৰাকীয়ে কেন্দ্ৰীয় তদন্ত ব্যুৰোৰ লগতে প্ৰেছ ইনফৰমেছন ব্যুৰো, আৰ এন আইকে ধৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অন্যান্য সংবাদ সংস্থাত দীৰ্ঘদিনধৰি সেৱা আগবঢ়াইছিল।

০০০০০০০

**সমাপ্ত**